অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং : ২১
উত্তৰ দানৰ তাৰিখ : ২৬/১১/২৫
*বিষয়ঃ* **Sub-Division Office**
বিধায়কৰ নাম : শ্ৰী সুজাম উদ্দিন লস্কৰঃ

মাননীয় Agriculture বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) হাইলাকান্দি জেলার আলগাপুর কাটলিছড়া সমষ্টিতে কোনো Agriculture Sub-Divison Office না থাকার বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে কবে নাগাদ Agriculture Sub-Division Office মঞ্জুর করা হবে।

উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব :

(ক) হাইলাকান্দি জিলাৰ আলগাপুৰ কাটলিছড়া সমষ্টিত কোনো Agriculture Sub-Division Office নাই।

(খ) কৃষি বিভাগে বৰ্তমানলৈকে একো সিদ্ধান্ত গ্ৰহণ কৰা নাই।

*************

*( উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

# অসম বিধান সভা

## ২০২৫ চনৰ ২৬ নবেম্বৰত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ২২

**বিষয়ঃ পাগলাদিয়া নদীৰ সোঁ ফালৰ মথাউৰি পকীকৰণ।**

**শ্ৰী দিগন্ত বৰ্মন, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) পাগলাদিয়া নদীৰ সোঁ ফালে থকা (Right Bank) মথাউৰিৰ ওপৰত লোক নিৰ্মাণ বিভাগে জলসম্পদ বিভাগৰ সহযোগত এতিয়ালৈকে কিমান কিলোমিটাৰ পথ পকীকৰণ কৰিছে? (তামুলপুৰ আৰু নলবাৰী জিলা সামৰি)

(খ) পাগলাদিয়া নদীৰ শেষ অংশৰ বাকী থকা সোঁ ফালৰ মথাউৰিৰ বিজুলীঘাটৰ পৰা বিহদিয়া, হানাপাৰা হৈ আদাবাৰীৰ ৰাষ্ট্ৰীয় ঘাই পথ ৪২৭ লৈ যোৱা প্ৰায় ৬ কিলোমিটাৰ পথ পকীকৰণৰ কাম জলসম্পদ বিভাগৰ সহযোগত লোক নিৰ্মাণ বিভাগে কেতিয়া আৰম্ভ কৰিব? এই সম্পৰ্কত জলসম্পদ বিভাগৰ পৰা সবিশেষ তথ্য দাঙি ধৰিব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) লোকনিৰ্মাণ বিভাগ (পথ)ৰ পৰা পোৱা তথ্য অনুসৰি তামুলপুৰ আৰু নলবাৰী জিলা সামৰি পাগলাদিয়া নদীৰ সোঁফালে (R/B) মথাউৰীৰ লোকনিৰ্মান পথ বিভাগে

1. GK আলিৰ পৰা NT ৰোডলৈ দৈৰ্ঘ্য ১৪.৫০ কিঃমিঃ
2. NT ৰোডৰ পৰা বৰমুৰিকণা হৈ সোনকুৰিহালৈ দৈৰ্ঘ্য ১০.১০ কিঃমিঃ।
3. সোনকুৰিহাৰ পৰা হাজো নলবাৰী পথ (বিজুলীঘাট) লৈ দৈৰ্ঘ্য ৪.০০ কিঃমিঃ।
4. বৰমুৰিকণাৰ পৰা বিজুলীঘাট (বৰক্ষেত্ৰীৰ অংশৰ দৈৰ্ঘ্য ৭.৮০ কিঃমিঃ) সৰ্বমুঠ দৈৰ্ঘ্য ৩৬.৪০ কিঃমিঃ ৰ ভিতৰত ৩২.৬০ কিঃমিঃ পথ পকীকৰণৰ কাম সমাপ্ত হৈছে। ইয়াৰে ৩.৮০ কিঃমিঃ পথৰ পকীকৰণৰ কাম বাকী আছে।

খ) পাগলাদিয়া নদীৰ সোঁফালৰ বিজুলীঘাটৰ পৰা আদাবাৰীলৈ থকা মথাউৰিটো মেৰামতিৰ বাবে "Restoration of damaged embankment on R/B of river Pagladia in between Bijulighat and Adabari" শীৰ্ষক ৪০০ লাখ টকাৰ এখন আঁচনি নলবাৰী জলসম্পদ সংমণ্ডলে প্ৰস্তুত কৰি উলিয়াইছে। যাবতীয় পুঁজি সাপেক্ষে আঁচনিখনৰ কাম হাতত লোৱা হ'ব। এই আঁচনিখনৰ কাম সম্পূৰ্ণ কৰাৰ পাছত পাগলাদিয়া নদীৰ শেষ অংশৰ বাকী থকা সোঁ-ফালৰ মথাউৰিৰ বিজুলীঘাটৰ পৰা বিহদিয়া, হানাপাৰা হৈ আদাবাৰীৰ ৰাষ্ট্ৰীয় ঘাই পথ ৪২৭ লৈ যোৱা প্ৰায় ৬ কিলোমিটাৰ পথ পকীকৰণৰ কাম আৰম্ভ কৰিব পৰা যাব।

*( উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

# অসম বিধান সভা

## ২০২৫ চনৰ ২৬ নৱেম্বৰত উত্তৰ দিবলগীয়া

## মৌখিক প্ৰশ্ন নং – ২৩

**বিষয়ঃ গৰাখহনীয়া সম্পৰ্কে।**

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

(ক) ২০২৫ ইং বৰ্ষত ধুবুৰী জিলাত কোন কোন নদীৰ কোন ঠাইত কিমান গৰাখহনীয়া হৈছে? বিতং তথ্য জনাব (সমষ্টি ভিত্তিক)।

(খ) গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত গংগাধৰ নদীয়ে ভয়াবহ ৰূপ লোৱাত উত্তৰ মৰাগদাধৰ, শিঙিমাৰী, লোহাজানী, উত্তৰ টোকৰেৰছৰা আৰু কৈমাৰী গাঁৱৰ গৰাখহনীয়া হোৱাৰ সম্পৰ্কে চৰকাৰ অৱগত নে? যদি অৱগত, ইয়াৰ স্থায়ী সমাধানৰ বাবে বিভাগীয়ভাৱে কি ব্যৱস্থা হাতত লৈছে? যদি লোৱা নাই, কিয়?

(গ) গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিদ্বয়ৰ গঙ্গাঁধৰ তথা ব্ৰহ্মপুত্ৰ নদীৰ প্ৰবল গৰাখহনীয়াৰ ফলত নদীত জাহ যোৱা গাঁও সমূহৰ নাম, মাটিৰ পৰিমাণ, ঘৰ-বাৰীৰ হিচাপ চৰকাৰৰ হাতত আছেনে? যদি আছে, বিতং কৈ তালিকা সহ সদনৰ মজিয়াত জনাব।

(ঘ) গৰাখহনীয়াৰ ফলত গৃহহাৰা হোৱা পৰিয়ালৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে? ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ষতিপূৰণ, ভূমি দিয়া আদি ব্যৱস্থা কৰিছে নে? যদি কৰিছে, কিমান পৰিয়ালে পালে, যদি কৰা নাই কিয়? সবিশেষ তালিকা সহ তথ্য বিতংভাৱে সদনত জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) ২০২৫ বৰ্ষৰ ধুবুৰী জলসম্পদ সংমণ্ডলৰ অধীনত থকা নদী সমূহৰ দ্বাৰা খহনীয়াৰ কবলত পৰা অঞ্চলসমূহৰ সমষ্টি ভিত্তিক তথ্য "*Annexure-A*" ত সন্নিবিষ্ট কৰা হ'ল।

খ) গোলকগঞ্জ আৰু গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত প্ৰশ্নত উল্লেখ কৰা বিভিন্ন এলেকা সমূহত অব্যাহত থকা গৰাখহনীয়া সম্পৰ্কে চৰকাৰ অৱগত।

গোলকগঞ্জ সমষ্টিৰ বিভিন্ন স্থানত হৈ থকা খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে ইতিমধ্যে ৰূপায়ণ কৰা আঁচনি সমূহৰ তালিকা "*Annexure-B*" ত দাখিল কৰা হল।

গংগাধৰ নদীৰ খহনীয়াৰ প্ৰৱল প্ৰৱণতাৰ প্ৰতি লক্ষ্য ৰাখি 15th Finance ৰ অধীনত "Anti erosion measures to protect most vulnerable reaches of river Gangadhar on its both bank under Dhubri District." নামাকৰণৰে ২৩.৪৯ কোটি টকা ব্যায় সাপেক্ষে এখনি আঁচনি প্ৰস্তুত কৰি NDMA, New Delhi লৈ প্ৰেৰণ কৰা হৈছে। আঁচনিখনৰ ইতিমধ্যে CWC গুৱাহাটীৰ দ্বাৰা Vetting সম্পন্ন হৈছে। আঁচনিখনৰ বিভাগীয় তথা বিত্তীয় মঞ্জুৰী পালে গংগাধৰ নদীৰ অতি স্পৰ্শকাতৰ গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত চেংটীমাৰী অঞ্চল আৰু গোলকগঞ্জ সমষ্টিৰ উত্তৰ মৰাগদাধৰ শিঙীমাৰী, বৰোচৰাইখোলা অঞ্চলত খহনীয়া প্ৰতিৰক্ষাৰ কাম আৰম্ভ কৰা হ'ব।

আনহাতে, গোলকগঞ্জ টাউন আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ সুৰক্ষাৰ বাবে 91st TAC মিটিঙত "Anti erosion measures to protect Golakganj town and its adjoining areas from the erosion of river Gangadhar on its L/B." নামাকৰণৰে ৩৪৬৩.৭৪ লাখ টকাৰ এখন Memo গৃহীত হয়। আঁচনিখন মঞ্জুৰি প্ৰাপ্ত হলে

গোলকগঞ্জ টাউনৰ লগত সংলগ্ন অঞ্চল যেনে টোকৰাছৰা, পূৰ-গাইখোৱা আদি অতি স্পৰ্শকাতৰ এলেকাৰ খহনীয়া সমস্যা বহুলাংশে হ্ৰাস পাব। গংগাধৰ নদীৰ বাওঁপাৰৰ দুটি অঞ্চলৰ যেনে লোহাযানি আৰু কৈমাৰী অঞ্চলত Flood Drill শিতানত Bamboo Screen আৰু Porcupine launching ৰ যোগেদি কাম কৰা হয়, তাৰ ফলত উক্ত এলেকা দুটাত খহনীয়াৰ প্ৰকোপ অস্থায়ীভাবে কিছু হ্ৰাস পোৱা পৰিলক্ষিত হয়।

গ) প্ৰশ্নোক্ত বিষয়টো জলসম্পদ বিভাগৰ অধীনত নপৰে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা (R&DM বিভাগৰ পৰা পোৱা তথ্য Annexure-C ত সংলগ্ন কৰা হ'ল।

ঘ) প্ৰশ্নোক্ত বিষয়টো জলসম্পদ বিভাগৰ অধীনত নপৰে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা (R&DM বিভাগৰ পৰা পোৱা তথ্য Annexure-C ত সংলগ্ন কৰা হ'ল।

***(এই উত্তৰৰ সৈতে 'Annexure-A', 'Annexure-B' আৰু 'Annexure-C' অনলাইন যোগে দাখিল কৰা হ'ল লগতে উত্তৰ সমূহ NeVa portal ত আপলোড কৰা হ'ল)**

********

**ASSAM LEGISLATIVE ASSEMBLY**
**STARRED ASSEMBLY QUESTION NO. 24 ~~DY. NO. 15/14/2~~31**
**DATE OF REPLY: 26/11/2025**

Sub : Utilization of DMFT Funds.

Shri Abdur Rashid Mandal, MLA.

Will the Minister of Mines and Minerals Deptt. be pleased to state:

Please furnish district wise and year wise in details for the period of 2019-20 to 2025-26 :

i) Total amount of funds/ royalties received and utilized by District Mineral Foundation (Trust) in the state.

ii) List of works with estimated cost of each. progress of works, amount utilized, details of executing agency or contractor or construction committee with procedures followed to appoint the executing agency or contractor or construction committee with DMFT funds under PMKKKY.

iii) Annual Plan and Annual Budget of the Trust prepared by the Managing Committee duly approved by the Governing Council of District Mineral Foundation as per Assam District Mineral Foundation (Trust) Rule, 2020.

iv) Details of compliances of the order of the Government of India, Ministry of Mines vide No.- 16/7/2015-M.Vi (Part) dated 16th September, 2015 by the Government of Assam regarding establishment of District Mineral Foundations in each District under the provisions of Sub-Section (1) of Section 9 B of the Mines and Minerals (Development and Regulation) (MMDR) Act, 1957 (67 of 1957).

**ANSWERS :**

Hon'ble Minister of Mine and Minerals Department, Shri Kaushik Rai will reply:

i) The total amount of DMF accrual from the year 2019-20 to 2025-26 is Rs. **293.69** Crores. The details of total amount of DMF funds/ royalties received and utilized by the District Mineral Foundation (Trust) in the State of Assam is enclosed as **ANNEXURE-1.**

ii) Utilizing the Fund from DMFT under PMKKKY in the State of Assam, total 725 nos. of Projects in both High and Other priority Sectors have been sanctioned and 435 Nos. have already been completed. For details of the projects/ works under PMKKKY, the Hon'ble Member is requested to visit **"National DMF Portal" (https://dmfindia.mines.gov.in)**.

iii) Preparation of Annual Plan and Annual Budgets of all 35 Districts is under process.

iv) As per the order of the Government of India, Ministry of Mines vide No-16/7/2015-M.VI (Part) dated 16th September, 2015; Assam Government has established District Mineral Foundation Trust (DMFT) in all 35 Districts under the provisions of Sub-Section (1) of Section 9 B of the Mines and Minerals (Development and Regulation) (MMDR) Act , 1957 (67 of 1957).

*******

Uploaded in National eVidhan Application

# অসম বিধান সভা

## তৰা চিহ্নিত প্ৰশ্ন নং – ২৫

## উত্তৰ দিয়াৰ তাৰিখ :২৬/১১/২০২৫

বিষয় : অসম চুক্তিৰ ৫ আৰু ৬ নং দফা কাৰ্য্যকৰী কৰা সম্পৰ্কত। বিধায়ক: শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা:

**প্ৰশ্ন**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তিৰ ৫ নং দফা অনুযায়ী ৰাজ্য চৰকাৰে কি কি ব্যৱস্থা কাৰ্য্যকৰী কৰিলে, জনাব নে?

(খ) অসম চুক্তিৰ ৬ নং দফা অনুযায়ী অসমীয়াৰ সাংবিধানিক ৰক্ষা কবচৰ ক্ষেত্ৰত কি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিলে?

(গ) অসমীয়াৰ সাংবিধানিক ৰক্ষা কবচৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ শ্ৰী বিপ্লৱ শৰ্মাৰ নেতৃত্বত এখন উপ-সমিতি গঠন কৰা হৈছিল নে? যদি উপ-সমিতি গঠন কৰিছিল, তেন্তে উপ-সমিতিয়ে ৰাজ্য চৰকাৰৰ হাতত প্ৰতিবেদন দাখিল কৰিলেনে?

(ঘ) উপ-সমিতিৰ পৰামৰ্শ সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে এতিয়ালৈকে কি ব্যৱস্থা গ্ৰহণ কৰিলে, জনাব নে?

**উত্তৰ**

মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অতুল বৰা মহোদয়ে উত্তৰ দিব:

(ক) গৃহ আৰু ৰাজনৈতিক বিভাগৰ পৰা পোৱা তথ্য অনুসৰি **অসম চুক্তিৰ ৫ নং দফাৰ** ৰূপায়ণৰ বাবে অসম চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আহিছে। দফাসমূহ কাৰ্য্যকৰীকৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহ দফা অনুযায়ী ভাঙি ধৰা হ'ল:-

**দফা ৫.১ :-** } কাৰ্য্যকৰী কৰি থকা হৈছে।
**দফা ৫.২ :-** }

**দফা ৫.৩ :-** ৰূপায়ণ কৰি থকা হৈছে আৰু ৩০/০৯/২০২৫ তাৰিখ পৰ্য্যন্ত মুঠ ৩৩,৪৩৯ জন লোকক ১৯৬৬-৭১ চনৰ সময় সীমাৰ ভিতৰৰ বিদেশী বুলি চিনাক্ত আৰু বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী বুলি ঘোষিত কৰা হৈছে।

**দফা ৫.৪ :-** ১৯৬৬-৭১ চনৰ সময়সীমাৰ ভিতৰত ঘোষিত মুঠ বিদেশী ৩৩,৪৩৯ জনৰ ভিতৰত ১৮,১৭৫ জন লোকে ৩০/০৯/২০২৫ পৰ্যন্ত আঞ্চলিক বিদেশী পঞ্জীয়ন বিষয়া (FRRO)ৰ ওচৰত নাম পঞ্জীয়ন কৰিছে। ঘোষিত বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰাৰ তথ্য নিৰ্বাচনী বিষয়াৰ হাতত থাকে।

**দফা ৫.৫ :-** } কাৰ্য্যকৰী কৰি থকা হৈছে।
**দফা ৫.৬ :-** }

**দফা ৫.৭ :-** পুনৰ অনুপ্ৰবেশকাৰীসকলৰ বিৰুদ্ধে বহিষ্কৰণৰ প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছে।

**দফা ৫.৮ :-** ৩০/০৯/২০২৫ পৰ্যন্ত মুঠ ১,৩৫,৯০১ জন লোকক ১৯৭১ চনৰ পিছৰ সময়সীমাৰ বিদেশী বুলি চিনাক্ত আৰু বিদেশী ন্যায়াধীকৰণৰ দ্বাৰা বিদেশী বুলি ঘোষিত কৰা হৈছে।

৩০/০৯/২০২৫ তাৰিখলৈকে সৰ্বমুঠ ৩০,১৩০ জন লোকক বহিষ্কাৰ কৰা হৈছে। ইয়াৰে প্ৰত্যাৱৰ্তন প্ৰক্ৰিয়াৰে যোৱা ১৩/০৩/২০১৩ তাৰিখৰ পৰা ৩০/০৯/২০২৫ তাৰিখলৈ সৰ্বমুঠ ৪৬৭ জন বিদেশীক নিজ দেশলৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰে ৪৫৭ জন অভিযুক্ত বিদেশী আৰু ১০ জন ঘোষিত বিদেশী।

**দফা ৫.৯ :-** ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে ২০০৫ চনৰ ১২ জুলাই তাৰিখে অবৈধ অনুপ্ৰবেশকাৰী (চিনাক্তকৰণ) ন্যায়াধীকৰণ (IM(D)T) আইন, ১৯৮৩ বাতিল কৰে। এই আইন বাতিলৰ পিছত অবৈধ বিদেশীক বিদেশী আইন,১৯৪৬ অনুসৰি চিনাক্ত কৰি থকা হৈছে।

(খ) অসম চুক্তিৰ ৬নং দফাৰ অন্তৰ্ভুক্ত অসমীয়া মানুহৰ সাংবিধানিক ৰক্ষা কবচৰ বিষয়টোৰ লগতে অন্যান্য দফাসমূহ ৰূপায়ণ কৰিবৰ বাবে অসম চৰকাৰৰ তত্বাৱধানত এখন উপ-সমিতি গঠন কৰা হৈছিল। এই উপসমিতিখনে অসম চুক্তিৰ সকলোবোৰ দফা সামৰি লৈ এটি ৰূপৰেখা প্ৰস্তুত কৰিছে আৰু সেইবোৰ ৰূপায়ণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহন কৰিছে। কেইবা লানি আলোচনাৰ অন্তত ইতিমধ্যে উপ-সমিতিখনে প্ৰতিবেদন দাখিল কৰিছে।

(গ) হয়, অৱসৰ প্ৰাপ্ত ন্যায়াধীশ শ্ৰী বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এখন উচ্চ পৰ্য্যায়ৰ সমিতি কেন্দ্ৰীয় গৃহ বিভাগৰ দ্বাৰা গঠন কৰা হৈছিল। উক্ত সমিতিখনৰ প্ৰতিবেদন কেন্দ্ৰীয় গৃহ বিভাগৰ হৈ অসম চৰকাৰে গ্ৰহন কৰিছিল।

(ঘ) শ্ৰী বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহ ৰূপায়ণৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থা আৰু পৰামৰ্শসমূহৰ লগত জড়িত বিভিন্ন বিভাগসমূহে কেইবালানি আলোচনা সমাপ্ত কৰিছে। ইতিমধ্যে ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰয়োজনীয় বাজেট ঘোষনা কৰি পৰামৰ্শসমূহ অতি শীঘ্ৰে ৰূপায়ণৰ বাবে ব্যৱস্থা গ্ৰহন কৰিছে।

*****

উত্তৰ অসম বিধানসভাৰ ৱেবছাইট "https://cms.neva.gov.in "ত আপলোড কৰা হৈছে।

অসম বিধান সভা

তৰাযুক্ত প্ৰশ্ন নং – ২৬

বিষয়ঃ ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত খাদ্য সামগ্ৰী বিতৰণ সম্পৰ্কে।

বিধায়কৰ নামঃ শ্ৰীমতী শিৱামণি বৰাঃ

উত্তৰ দিয়া তাৰিখঃ ২৬/১১/২০২৫

**প্ৰশ্নঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত কিমান অগ্ৰাধিকাৰ প্ৰাপ্ত হিতাধিকাৰী পৰিয়ালক ৰেচন কাৰ্ড দিয়া হৈছে ?

(খ) প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে সদস্য সংখ্যা অনুযায়ী মাহে কিমান পৰিমাণৰ চাউল বিতৰণ কৰা হয় ?

(গ) E-POS কৰাৰ পিছত পৰিবহন আৰু অন্যান্য খৰচৰ বাবদ কিছু পৰিমাণৰ চাউল কমকৈ হিতাধিকাৰীক দিয়া সম্পৰ্কে সততে উঠি থকা অভিযোগ সম্পৰ্কে বিভাগ অৱগতনে? যদি অৱগত, বৰ্তমানলৈ কিমান আৰু কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(ঘ) NSFA ৰ অধীনৰ পৰিয়ালে ৰেচন কাৰ্ডৰ বিপৰীতে আটা বিতৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ ঘেঁহুৰ আৱণ্টন পাইছিল নেকি ? যদি আৱণ্টন পাইছিল, বৰ্ষ অনুসৰি ঘেঁহুৰ পৰিমাণ উল্লেখ কৰিব আৰু কোন কোন জিলাত ৰেচন কাৰ্ডৰ বিপৰীতে আটা বিতৰণ কৰিবলৈ কিমান পৰিমাণৰ ঘেঁহু দিয়া হৈছিল ? বৰ্ষ অনুসৰি সম্পূৰ্ণ তথ্য দাখিল কৰিব।

**উত্তৰঃ**

**মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীকৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ**

**(ক)** নৱেম্বৰ, ২০২৫ মাহৰ বিনামূলীয়া চাউলৰ অনলাইন আৱণ্টন অনুসৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত অসমত সৰ্বমুঠ ২,২৩,৭৯,৩৬৭ জন হিতাধিকাৰীক সামৰি ৬৩,৭৪,০১২ টা অগ্ৰাধিকাৰ প্ৰাপ্ত (PHH) পৰিয়ালক ৰেচন কাৰ্ড প্ৰদান কৰা হৈছে।

**(খ)** ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত ৰেচন কাৰ্ড লাভ কৰা প্ৰতিটো অন্তোদয়া অন্ন যোজনা (AAY) পৰিয়ালক কাৰ্ডে প্ৰতি ৩৫ কিলোগ্ৰামকৈ আৰু অগ্ৰাধিকাৰ প্ৰাপ্ত (PHH) পৰিয়ালক সদস্যই প্ৰতি ৫ কিলোগ্ৰামকৈ প্ৰতিমাহে "প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা" (PMGKAY) আঁচনিৰ অধীনত বিনামূলীয়া চাউল প্ৰদান কৰা হয়। নৱেম্বৰ, ২০২৫ মাহৰ বিনামূলীয়া চাউলৰ অনলাইন আৱণ্টন অনুসৰি অসমত সৰ্বমুঠ ২,২৯,৭৫৮.৪৯ কুইন্টল চাউল অন্তোদয়া অন্ন যোজনা (AAY) পৰিয়াল আৰু ১০,৯৬,৫২৯.৭৭ কুইন্টল চাউল অগ্ৰাধিকাৰ প্ৰাপ্ত (PHH) পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছে।

**(গ)** E-POSৰ দ্বাৰা বিনামূলীয়া চাউল বিতৰণ কৰাৰ পিছত পৰিবহন আৰু অন্যান্য খৰচৰ বাবদ কিছু পৰিমাণৰ চাউল কমকৈ হিতাধিকাৰীক দিয়া সম্পৰ্কত এতিয়ালৈকে কোনো ধৰণৰ লিখিত অভিযোগ পোৱা হোৱা নাই।

অৱশ্যে ভৱিষ্যতে এনে ধৰণৰ লিখিত অভিযোগ উত্থাপিত হ'লে সংশ্লিষ্ট জিলাৰ জিলা আয়ুক্ত অথবা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াসকলৰ দ্বাৰা বিষয়টো অনুসন্ধান কৰি দোষী সাব্যস্ত হ'লে সুলভ মূল্যৰ দোকানীৰ বিৰুদ্ধে The Assam Public Distribution of Articles Order, 1982ৰ অধীনত নিলম্বিত কৰণ (Suspension) আৰু প্ৰয়োজন সাপেক্ষে অনুজ্ঞাপত্ৰ বাতিল কৰণ (Cancellation) ৰ ব্যৱস্থা আছে।

**(ঘ)** NSFA ৰ অধীনৰ ৰেচন কাৰ্ড প্ৰাপ্ত পৰিয়ালৰ মাজত আটা বিতৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০২১-২২ চনৰ পৰা ২০২৪-২৫ চনলৈ ঘেঁহুৰ আৱণ্টন পোৱা হৈছে। বৰ্ষ অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা ঘেঁহুৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল –

| বৰ্ষ | কেন্দ্ৰীয় চৰকাৰৰ পৰা আৱণ্টিত ঘেঁহুৰ পৰিমাণ |
|---|---|
| ২০২১-২০২২ | ৬৬,৭২৩ মেট্ৰিক টন |
| ২০২২-২০২৩ | ৬৬,১৯২ মেট্ৰিক টন |
| ২০২৩-২০২৪ | ৬৬,১৯২ মেট্ৰিক টন |
| ২০২৪-২০২৫ | ৬৩,৩৭৮ মেট্ৰিক টন |

কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা ঘেঁহুৰ পৰা আটা প্ৰস্তুত কৰিবলৈ জিলা সমূহৰ মাজত দিয়া আৱণ্টনৰ পৰিমাণৰ জিলাভিত্তিক তথ্য **সংলগ্ন-'ক'** অসম বিধান সভাৰ ৱেবচাইট www.neva.gov.in ত উপলব্ধ কৰা হ'ল। )

*******

অসম বিধান সভা

২০২৫ চনৰ ২৬ নবেম্বৰত উত্তৰ দিবলগীয়া

মৌখিক প্ৰশ্ন নং – ২৭

**বিষয়ঃ বানপানী প্ৰতিৰোধৰ বাবে মথাউৰি নিৰ্মাণ।**

**শ্ৰী মজিবুৰ ৰহমান, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

-প্ৰশ্ন-

(ক) অসম চৰকাৰৰ জলসম্পদ বিভাগে ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত সমগ্ৰ ৰাজ্যত মুঠ কিমান টকা মঞ্জুৰী দিছিল আৰু কিমান টকা ইতিমধ্যে খৰচ কৰিছে? সবিশেষ তথ্য বাৰ্ষিক হিচাবত সদনত দাখিল কৰিব।

(খ) জলসম্পদ বিভাগে দৰং জিলাৰ অন্তৰ্গত দলগাঁও, ছিপাঝাৰ আৰু মঙলদৈ বিধান সভা সমষ্টিত ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত সৰ্বমুঠ কিমানটা বান্ধ আৰু মথাউৰি আঁচনিৰ কাম সম্পূৰ্ণ কৰিছে? সমষ্টি হিচাবে প্ৰতিটো আঁচনিৰ নাম আৰু মঞ্জুৰীকৃত ধনৰ পৰিমাণসহ সঠিক আৰু স্পষ্ট তালিকা সদনত দাখিল কৰিব।

(গ) দলগাঁও সমষ্টিৰ টাংনী আৰু ধনশ্ৰী নদীয়ে বছৰে বছৰে হাজাৰ হাজাৰ মানুহৰ ঘৰ বাৰী খহনীয়াত উটুৱাই নিয়ে। এই গৰাখহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত নতুনকৈ কোনো মথাউৰি বা বান্ধ দিয়াৰ পৰিকল্পনা কৰিছে নেকি? সবিশেষ তথ্য সদনত দাখিল কৰিব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ**

– উত্তৰ–

ক) অসম চৰকাৰৰ জলসম্পদ বিভাগে ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত সমগ্ৰ ৰাজ্যত মঞ্জুৰী কৰা আৰু খৰচ কৰা টকাৰ সবিশেষ তথ্য '***পৰিশিষ্ট-ক***' ত দাখিল কৰা হ'ল।

খ) জলসম্পদ বিভাগে দৰং জিলাৰ অন্তৰ্গত দলগাঁও, - ছিপাঝাৰ আৰু মঙলদৈ বিধান সভা সমষ্টিত ২০২৪-২৫ আৰু ২০২৫-২৬ বৰ্ষত গ্ৰহণ কৰা বান্ধ আৰু মথাউৰীৰ আঁচনিৰ সবিশেষ '***পৰিশিষ্ট-খ***' ত দাখিল কৰা হ'ল।

গ) দলগাঁও সমষ্টিৰ টাংনী আৰু ধনশিৰি নদীৰ বান আৰু গৰাখহনীয়া ৰোধ কৰা ক্ষেত্ৰত জলসম্পদ বিভাগে পৰিকল্পনা কৰা আঁচনিৰ সবিশেষ '***পৰিশিষ্ট-গ***' ত দাখিল কৰা হ'ল।

***(এই উত্তৰৰ সৈতে পৰিশিষ্ট 'ক', 'খ' আৰু 'গ' অনলাইন যোগে দাখিল কৰা হ'ল লগতে উত্তৰ সমূহ NeVa portal ত আপলোড কৰা হ'ল। )**

**অসম বিধান সভা**
**মৌখিক প্ৰশ্ন নং-২৮**
**উত্তৰ দিয়াৰ তাৰিখ-২৬/১১/২০২৫**

বিষয়ঃ Contaminated খাদ্য সম্পৰ্কে

শ্ৰীমতী সুমন হৰিপ্ৰীয়া,মাননীয় বিধায়িকা।

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিভাগ জ্ঞাত নে যে Contaminated food ৰ পৰা মাৰাত্মক ৰোগ হ'ব পাৰে? যদি জ্ঞাত, এই ক্ষেত্ৰত বিভাগে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) খাদ্য সামগ্ৰী যেনে ফল, পনীৰ, গাখীৰ, শাক-পাচলি, মাছ সকলোতে অতিমাত্ৰা Chemical পোৱাৰ বিষয়ে বিভাগ জ্ঞাতনে ? এই ক্ষেত্ৰত প্ৰতিৰোধৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

গ) বাহিৰৰ পৰা অসমলৈ অহা Packaged Food সমূহ কিমান স্বাস্থ্যসন্মত ? অসমৰ বজাৰত অহাৰ আগত কিবা পৰীক্ষা নিৰীক্ষাৰ ব্যৱস্থা আছে নেকি ?

ঘ) জিলাই জিলাই আমাৰ পৰ্যাপ্ত Food Inspector আছে নে ? যোৱা ২ বছৰত এই বিষয়া সকলে কিমান Case Register কৰিছে আৰু কি কি সামগ্ৰীৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে ?

**-উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিবঃ-

(ক) Contaminated food ৰ পৰা মাৰাত্মক ৰোগ হ'ব পাৰে।

খাদ্য সুৰক্ষা আয়ুক্তালয়ৰ অধীনত থকা জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া/ খাদ্য সুৰক্ষা বিষয়া সকলে বিভিন্ন উৎসৰ পৰা খাদ্যৰ নমুনা সংগ্ৰহ কৰি অসম ৰাজ্যিক বিশ্লেষণাগাৰত পৰীক্ষা কৰি যদি কোনো খাদ্যৰ নমুনা নিম্ন মানদণ্ড আৰু অসুৰক্ষিত পোৱা যায় তাৰ বিৰুদ্ধে সুৰক্ষা মানক আইনৰ জৰিযতে ব্যৱস্থা কৰি থকা হৈছে।

খ) কিছুমান খাদ্যসামগ্ৰী যেনে ফল, পনীৰ, গাখীৰ, শাক-পাচলি, মাছ ইত্যাদিত অতিমাত্ৰা ৰাসায়নিক দ্ৰব্য পোৱা বিষয়টো এই বিভাগৰ জ্ঞাত।

এই ক্ষেত্ৰত খাদ্য সুৰক্ষা আয়ুক্তালয়ৰ জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়া/ খাদ্য সুৰক্ষা বিষয়া সকলে অসমৰ বিভিন্ন ঠাইত ভাৰত চৰকাৰে প্ৰদান কৰা ২৩ খন ভ্ৰাম্যমান পৰীক্ষাগাৰ (Food Safety on Wheels) ৰ জৰিয়তে বিভিন্ন ধৰণৰ খাদ্যসামগ্ৰীৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰি থকা হৈছে আৰু ৰাজ্যিক বিশ্লেষণাগাৰত প্ৰেৰণ কৰা নমুনাসমূহ পৰীক্ষা কৰি থকা হৈছে।

তাৰোপৰি অসমত উৎপাদিত শাক-পাচলি আৰু ফলমূলত অত্যাধিক কীট নাশক দ্ৰব্যৰ প্ৰতিৰোধৰ বাবে খাদ্য সুৰক্ষা আয়ুক্তালয় আৰু কৃষি বিভাগে যুটীয়া ভাৱে মিলি কমিটি গঠন কৰা হৈছে। এই কমিটিয়ে নিয়মিত ভাৱে নিৰীক্ষণ কৰি আছে। এই দিশত ভ্ৰাম্যমান পৰীক্ষাগাৰসমূহত কীটনাশক দ্ৰব্যৰ উপস্থিতি পৰীক্ষাৰ বাবে Pesticide Testing Kit উপলব্ধ কৰা হৈছে।

(গ) খাদ্য সুৰক্ষা মানক আইন, ২০০৬ ৰ মতে বাহিৰৰ পৰা অসমলৈ অহা Packaged Food সমূহৰ উপৰিও যিকোনো বস্তু বিক্ৰীৰ আগতে পঞ্জীয়নৰ ব্যৱস্থা আছে আৰু খাদ্যবস্তু পৰীক্ষা কৰি গুণাগুণ আইনত দিয়া মানদণ্ড অনুসাৰে প্ৰমাণ হোৱা বাধ্যতামূলক।

তাৰোপৰি নিয়মিতভাবে বজাৰত উপলব্ধ খাদ্যবস্তু সমূহৰ নমুনা সংগ্ৰহ কৰি, তাৰ পৰীক্ষা কৰাৰ ব্যৱস্থা আছে। নিম্ন মানদণ্ড আৰু অসুৰক্ষিত খাদ্য বিক্ৰেতাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা কৰি থকা হৈছে।

(ঘ) অসমত জিলাই জিলাই বৰ্তমান কৰ্মৰত Sr. Food Safety Officer / Food Safety Officer সকলৰ বিতং তালিকা (**পৰিশিষ্ট-ক**) ত সংলগ্ন কৰা হ'ল।

যোৱা ২ বছৰত খাদ্য সুৰক্ষা আয়ুক্তালয়ে সংগ্ৰহ কৰা নমুনা সমূহৰ ভিতৰত পোৱা নিম্ন মানদণ্ড আৰু অসুৰক্ষিত খাদ্যৰ নমুনাৰ বিতং তথ্য তলত দিয়া হ'ল।

| **বৰ্ষ** | **নিম্ন মানদণ্ডৰ** | **অসুৰক্ষিত** | **মুঠ** |
|---|---|---|---|
| ২০২৩-২৪ | ৯১ | ৩৫ | ১২৬ |
| ২০২৪-২৫ | ১৪৮ | ৬৭ | ২১৫ |
| | | **সৰ্বমুঠ** | **৩৪১** |

উক্ত ভেজাল খাদ্য প্ৰস্তুতকাৰী সকলৰ বিৰুদ্ধে বিভিন্ন পৰ্য্যায়ত আইনী প্ৰক্ৰিয়া চলাই থকা হৈছে।

--ooo---

**বিঃ দ্ৰঃ- ওপৰোক্ত উত্তৰবোৰ ইতিমধ্যে পৰিশিষ্টৰ সৈতে অনলাইনত আপলোড কৰা হৈছে।**

# অসম বিধান সভা
## তৰাচিহ্নীত প্ৰশ্ন নং – ২৯
## উত্তৰ দিয়াৰ তাৰিখ – ২৬/১১/২০২৫

বিষয়ঃ **আৰ্চাৰী একাডেমী নিৰ্মাণ সন্দৰ্ভত**

বিধায়কঃ শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সোণাৰি সমষ্টিৰ অন্তৰ্গত কানুবাৰীত সাংৰি উৰাং সোঁৱৰণিত এখন আৰ্চাৰী একাডেমী নিৰ্মাণ কৰি থকা হৈছিল। উক্ত আৰ্চাৰী একাডেমী খনৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে নেকি ? যদি হৈছে, তেন্তে কেতিয়ালৈ এই আৰ্চাৰী একাডেমীখন আৰম্ভ কৰা হ'ব ?

(খ) সোণাৰি থুকুবিলত বৃহৎ আকাৰৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এখন ক্ৰীড়া ষ্টেডিয়াম নিৰ্মাণ কৰি থকা হৈছে। নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ বৰ্তমান কিমান শতাংশ কাম বাকী আছে ?

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীমতী নন্দিতা গাৰ্লোচা** মহোদয়াই উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ work order dated ১৯/০২/২০২০ অনুসৰি সোনাৰী সমষ্টিৰ অন্তৰ্গত কানুবাৰী সাংৰি উৰাং সোঁৱৰণিত এখন আৰ্চাৰী একাডেমীৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে (Work order ৰ সবিষেশ তথ্য **Annexure –'A'** দিয়া হ'ল) । এই আৰ্চাৰী একাডেমীখন Tea Tribes and Adivasi Welfare Department –ৰ অধীনত নিৰ্মাণ কৰি থকা হৈছে (বিতং তথ্য **Annexure-'B'** দিয়া হ'ল)। লোক–নিৰ্মাণ বিভাগ (PWD), চৰাইদেউ জিলাৰ টেৰিট'ৰিয়েল বিল্ডিং ডিভিজন, সোনাৰীৰ পৰা লাভ কৰা তথ্য অনুসৰি আৰ্চাৰী একাডেমীখনৰ ৯৮% নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী থকা কামখিনি দ্ৰুত গতিত আগবাঢ়ি আছে আৰু ২০২৬ চনৰ ফেব্ৰুৱাৰীত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে।

(খ) অসম চৰকাৰৰ work order dated ২১/১২/২০২২ অনুসৰি সোনাৰীৰ থুকুবিলত এখন ক্ৰীড়া ষ্টেডিয়াম নিৰ্মাণ কাৰ্য আৰম্ভ কৰে আৰু উক্ত আনুষ্ঠানিক work order অনুসাৰে কাম সম্পূৰ্ণ হোৱাৰ সময়সীমা ২৪ মাহ, অৰ্থাৎ ২০/১২/২০২৪ তাৰিখ (Work order ৰ সবিষেশ তথ্য **Annexure –'C'** দিয়া হ'ল) ।

লোক–নিৰ্মাণ বিভাগ (PWD), চৰাইদেউ জিলাৰ টেৰিট'ৰিয়েল বিল্ডিং ডিভিজন, সোনাৰীৰ পৰা লাভ কৰা তথ্য অনুসৰি ইতিমধ্যে ৮০% কাম সম্পূৰ্ণ হৈছে। লোক–নিৰ্মাণ বিভাগে (PWD) জনোৱা অনুসৰি ক্ৰীড়া ষ্টেডিয়ামখনৰ নিৰ্মাণ কাৰ্য কিছু বিলম্ব হোৱাৰ কাৰণসমূহ হ'ল—

- ওচৰৰ চাহবগিচাৰ সৈতে সীমা–বিবাদ।
- দীঘলীয়া আৰু থিয় পথৰ বাবে নিৰ্মাণ সামগ্ৰী পৰিবহন কৰাত কঠিন হয়, বিশেষকৈ অঞ্চলটোত বৰষুণ সঘনাই দিয়ে।
- নিৰ্মাণ সামগ্ৰী কঢ়িয়াই নিয়া ডাঙৰ যান–বাহনৰ বাবে স্থানীয় ৰাইজৰ সৈতে হোৱা সংঘাতৰ ফলত নিৰ্মাণ কাৰ্য্যত ক্ষতি হয়।
- অনিশ্চিত বতৰ পৰিস্থিতিয়ে নিৰ্মাণ কাৰ্যত প্ৰভাৱ পেলায়।

(সংলগ্ন পত্ৰ সমূহ **'https://cmsasla.neva.gov.in/'** পোৰটেলত আপলোড কৰা হৈছে / **Enclosures are uploaded in the 'https://cmsasla.neva.gov.in/' portal.)**

*******

অসম বিধান সভা

২০২৫ চনৰ ২৬ নবেম্বৰত উত্তৰ দিবলগীয়া

মৌখিক প্ৰশ্ন নং - ৩০

বিষয়ঃ নদী খননের সম্পর্কে

শ্ৰী নিজাম উদ্দিন চৌধুরী, বিধায়ক

মাননীয় জলসম্পদ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

-প্রশ্ন-

(ক) আলগাপুর সমষ্টিতে জিতা নদী খনন করার জন্য সরকার কি কোনো পদক্ষেপ নিয়েছে?

(খ) যদি কোনো পদক্ষেপ নেওয়া হয়, তবে কবে নাগাদ কাজ আরম্ভ করা হবে?

(গ) এই খননের অর্থ কি মঞ্জুর করা হয়েছে, যদি করা হয়ে থাকে, তবে উহার বিস্তারিত বিবরণ সদনে দিবেন।

মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত পীযুষ হাজৰীকা দেৱে উত্তৰ দিবঃ

– উত্তৰ–

(ক) হাইলাকান্দি চহৰৰ উজনিত থকা আসিয়ালি বিল আৰু ইয়াৰ উপকণ্ঠ পাহাৰি এলেকাৰ পানী জিতা নদীৰে বৈ ধলেশ্বৰী নদীত পৰে আৰু তাৰ পিছত ই বৰাক নদীত মিলিত হয়। এই বিলৰ পানী নিস্কাষনৰ বাবে প্ৰায় ২০ কি. মি. দৈৰ্ঘ্যৰ জিতা নদী খননৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি "De-siltation and re-sectioning of Jita Nadi (Drainage Channel) under Hailakandi Civil Sub-Division" নামেৰে ৪৫.০২ কোটি টকাৰ এখন Memo of works প্ৰস্তুত কৰি ৮৮ তম কাৰিকৰি উপদেষ্টা সমিতি (TAC) লৈ দাখিল কৰা হৈছিল। কাৰিকৰি উপদেষ্টা সমিতিয়ে আঁচনিখনৰ অধ্যয়ন (Study) ৰ বাবেহে অনুমোদন জনায়। ইতিমধ্যে জিতা নৈ খনৰ অধ্যয়নৰ বাবে NIT, Silchar ক এখন প্ৰাককলন দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

খ) জিতা নৈ খনন অধ্যয়ন আৰু আঁচনিখনৰ Feasibility Report সাপেক্ষে প্ৰাককলন তৈয়াৰ কৰিব পৰা যাব আৰু এই প্ৰাককলনৰ অনুমোদন সাপেক্ষে কাম হাতত ল'ব পৰা যাব।

গ) জিতা নদী খননৰ বাবে বৰ্তমানলৈ কোনো পুঁজি মঞ্জুৰ কৰা হোৱা নাই।

*(উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে)*

# অসম বিধান সভা
## তৰা চিহ্নিত প্ৰশ্ন নং : ৩১
## উত্তৰ দিয়া তাৰিখ : ২৬/১১/২০২৫

বিষয়ঃ সংখ্যালঘু উন্নয়নৰ আঁচনি সম্পৰ্কে- শ্ৰী জাকিৰ হুছেইন সিকদাৰ, মাননীয় বিধায়ক

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা বৰ্তমানলৈ প্ৰতিটো বিত্তীয় বৰ্ষত সংখ্যালঘু উন্নয়নৰ বাবে চৰকাৰে কি কি আঁচনি গ্ৰহণ কৰিছে? সমষ্টিভিত্তিত পৃথকে পৃথকে তথ্য দিব।

(খ) ২০২১ চনৰ পৰা বৰ্তমানলৈ প্ৰতিটো বিত্তীয় বৰ্ষত সংখ্যালঘু উন্নয়নৰ কি কি শিতানত কিমান টকা ব্যয় কৰিছে? সমষ্টিভিত্তিত পৃথকে পৃথকে তথ্য দিব।

## উত্তৰ

মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীমতী নন্দিতা গাৰলোচা মহোদয়াই উত্তৰ দিব।

(ক) অসম চৰকাৰৰ সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগে সমষ্টিভিত্তিত কোনো আঁচনি ৰূপায়ন নকৰে যদিও ২০২১ চনৰ পৰা বৰ্তমানলৈ প্ৰতিটো বিত্তীয় বৰ্ষত সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগে সংখ্যালঘু উন্নয়নৰ বাবে SOPD ৰ অধীনত গ্ৰহণ কৰা আঁচনি সমূহৰ তথ্য www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া আছে।

PMJVK ৰ অধীনত আন্ত গাঁথনিৰ কাম চলি থকা আঁচনি সমূহৰ জিলা ভিত্তিক তথ্য www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'ক'** হিচাপে দিয়া আছে।

(খ) ২০২১ চনৰ পৰা বৰ্তমানলৈ প্ৰতিটো বিত্তীয় বৰ্ষত সংখ্যালঘু উন্নয়নৰ বাবে SOPD ৰ অধীনত গ্ৰহণ কৰা আঁচনি সমূহৰ ব্যয়ৰ তথ্য তলত দিয়া হ'ল আৰু বিশদ ভাৱে www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'খ'** হিচাপে দিয়া আছে।

| Sl.No | Financial Year | Amount in Lakh |
|---|---|---|
| 1. | 2021-22 | 1035.65168 |
| 2. | 2022-23 | 457.37934 |
| 3. | 2023-24 | 1561.43 |
| 4. | 2024-25 | 1010.87 |
| 5. | 2025-26 | Under Progress |

PMJVK ৰ অধীনত আন্ত গাঁথনিৰ কাম চলি থকা আঁচনি সমূহৰ ব্যয়ৰ তথ্য তলত দিয়া হ'ল আৰু বিশদ ভাৱে www.cms.neva.gov.in পৰ্টেলত **পৰিশিষ্ট 'খ'** হিচাপে দিয়া আছে।

| Sl.No | Financial Year | Amount in Lakh |
|---|---|---|
| 1. | 2021-22 | 5156.46055 |
| 2. | 2022-23 | 16130.49486 |
| 3. | 2023-24 | 57.5300 |
| 4. | 2024-25 | 12900.00 |
| 5. | 2025-26 | 434.02814 |

---

# আসাম বিধান সভা
# তারাযুক্ত প্রশ্ন নং -৩২
# উত্তর দেওয়ার তারিখ : ২৬-১১-২০২৫

বিষয়ঃ বরাক উপত্যকা উন্নয়ন বিভাগ সম্পর্কিত। শ্রী কমলাক্ষ দে পুরকায়স্থ: বিধায়ক

**প্রশ্ন:**

মাননীয় বরাক উপত্যকা উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি:

(ক) বরাক উপত্যকার মিনি সচিবালয়ে বরাক উপত্যকা উন্নয়ন বিভাগের স্থায়ী কার্য্যালয় ও বিভাগীয় অন্যান্য প্রয়োজনীয় সুযোগ সুবিধা থাকবে কি? বরাক উপত্যকার মিনি সচিবালয় কবে থেকে সরকারীভাবে জনগনের জন্য চালু করা হবে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(খ) বরাক উপত্যকা উন্নয়ন বিভাগে বিগত বাজেটে আসাম সরকার কতৃক ১০৫ কোটি অর্থ বরাদ্দ করা হয়েছে। এই বরাদ্দকৃত অর্থ রাশি দ্বারা কী কী ধরনের পরিকল্পনা নেওয়া হয়েছে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(গ) বরাকের বিখ্যাত ধামাইল নৃত্যকে আরোও বেশী জনপ্রিয় তথা আকর্ষণীয় করে তোলার জন্য ধামাইল নৃত্য অনুষ্ঠিত করার জন্য বরাক উপত্যকা উন্নয়ন বিভাগ কী কোনো ধরনের পদক্ষেপ নিয়েছে? তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

**উত্তর:**

মাননীয় বরাক উপত্যকার উন্নয়ণ বিভাগীয় মন্ত্রী শ্রীকৌশিক রায় মহোদয় উত্তর দিবেন :-

(ক) সরকারি নির্দেশিকা অনুযায়ী বরাক উপত্যকার মিনি সচিবালয়ে বরাক উপত্যকা উন্নয়ন বিভাগের স্থায়ী কার্য্যালয় ও বিভাগীয় অন্যান্য প্রয়োজনীয় সুযোগ সুবিধা উপলব্ধ থাকিবে।বরাক উপত্যকার মিনি সচিবালয় আগামী ২০২৬ সনের জানুয়ারি মাস থেকে জনগণের জন্য উন্মোচিত করার প্রয়াস অব্যাহত আছে।

(খ) বরাক উপত্যকা উন্নয়ন বিভাগে বিগত বাজেটে রাজস্ব খাতে ৫(পাঁচ) কোটি টাকা ও মূলধনী খাতে ১০০(একশত) কোটি টাকা ধার্য করা হয়েছে।মূলধনী খাতে বরাদ্দকৃত ১০০(একশত) কোটি হইতে প্রথম পর্যায়ে ৮৮.৪০(অষ্টাসী কোটি চল্লিশ লক্ষ) টাকা ব্যয় সাপেক্ষ্যে সর্বমোট ১৯ (উনিশটি) পরিকল্পনা বাস্তবায়িত করা হইবে।উক্ত পরিকল্পনা গুলির তালিকা পরিশিষ্ট -১ সংযোজিত করা হয়েছে।

(গ) বরাক উপত্যকার বিখ্যাত ধামাইল নৃত্যকে আরো বেশি জনপ্রিয় ও আকর্ষণীয় করে তোলার জন্য ধামাইল নৃত্য অনুষ্ঠিত করার নিমিত্ত বরাক উপত্যকা উন্নয়ন বিভাগ হইতে ইতিমধ্যে প্রয়োজনীয় পদক্ষেপ গ্রহণ করা হয়েছে। আসাম সরকারের সাংস্কৃতিক বিষয়ক সঞ্চালয় ধামাইল নৃত্য পরিবেশনের একটি সংশোধিত প্রস্তাব যাহাতে সম্ভাব্য কর্মসূচির বিবরণ, প্রাথমিক সময়রেখা ও প্রাক্কলিত ব্যয়বিবরণী দাখিল করেছে।উক্ত সংশুধিত প্রস্তাব কর্তৃপক্ষের অনুমোদনের অপেক্ষায় আছে।

পরিশিষ্ট -১

## PROPOSED SHELF OF SCHEMES OF BVDD FOR THE FY-2025-26

### A. CAPITAL HEAD (PRIORITY LIST-I)

| Sl. No. | Name of the scheme | Estimated Cost (in crores) | Proposed Executing Age`ey |
|---|---|---|---|
| 1 | Procurement/ Installation of MRI machines at Sribhumi, Cachar and Hailakandi district hospital @12.6Cr each at Sribhumi, Cachar and Hailakandi Hospital | 36.18 | AMSC LIMITED |
| 2 | Installation and Commissioning of Electric Crematorium with double unit furnace at Silchar Samshan Ghat Premises. | 2.50 | DoHUA |
| 3 | Construction of Septic tank internal roads etc at the rehabilitation village at Dolu T.E. | 1.26 | PWD (Bldg.) |
| 4 | Infrastructure Development of Indoor stadium of India Club at Silchar | 1.00 | Const. Committee |
| 5 | Infrastructure Development of Ithkhola Club Playground | 0.50 | Const. Committee |
| 6 | Infrastructure Development of Community Hall near Siddeshwar Temple at Panchgram | 1.00 | Const. Committee |
| 7 | Construction of Stair Case/Footsteps, etc of Old Bhuban Tirtha Road. | 2.00 | Const. Committee |
| 8 | Yatri Niwas, Water facilities and Toilet Block at Bhuvan Tirtha | 1.00 | Const. Committee |
| 9 | Construction of Yatri Niwas and beautification of Barham Baba Mandir premises, Silcoorie | 2.00 | Const. Committee |
| 10 | Construction of Manipuri Youth Hostel at Silchar. | 1.50 | PWD (B)/ Const. Committee |
| 11 | Development of Playground of Model Higher Secondary School at Mundamala Patharkandi | 0.50 | PWD (B) |
| 12 | Infrastructure Development of DSA Playground at Ramkrishnanagar | 1.00 | Const. Committee |
| 13 | Infrastructure Development of DSA Playground, Lakhipur | 1.00 | Const. Committee |
| 14 | Construction of 60 Nos. of Nachghar (Community Hall) at different Tea Estates of Barak Valley @35Lakhs each. | 21.50 | Const. Committee |
| 15 | Construction of 30 Nos. of Community Hall near Bishnupriya/ Maitei Community Mandap at different location of Barak Valley. @35Lakhs each. | 10.50 | Const. Committee |
| 16 | Renovation of Sribhumi Circuit House | 1.50 | PWD (B) |
| 17 | Renovation and infrastructure development of District Bar Association Building (Library), Silchar | 1.76 | Const. Committee |
| 18 | Shifting of SMCH water supply schemes and construction of ESR. | 1.20 | PHE |
| 19 | Infrastructure development of Community Hall near Baithakhal Kalibari at Patharkandi | 0.50 | Const. Committee |
| | **TOTAL** | **88.40** | |

/

**অসম বিধান সভা**

**তৰাযুক্ত প্ৰশ্ন নং -৩৩**

**বিষয় :- খাদ্য আৰু অসামৰিক যোগান সম্পৰ্কে**
**বিধায়কৰ নাম :- শ্ৰী আবুল কালাম ৰশিদ আলমঃ**
**উত্তৰ দিয়া তাৰিখ :- ২৬-১১-২০২৫**

**প্ৰশ্নঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত National Food Security Act (NFSA) ৰ অধীনত কিমান ৰেছন কাৰ্ডৰ হিতাধিকাৰী আছে, ইয়াৰে গোৱালপাৰা জিলা আৰু ৩৭ নং গোৱালপাৰা পূব বিধানসভা সমষ্টিত কিমান হিতাধিকাৰী আছে জনাব। বৰ্তমান নতুন হিতাধিকাৰী বাচনি কৰা হ'ব নেকি ? হিতাধিকাৰী বাচনি কৰা নিয়ম (Guideline) কি ? তথ্য সহ জনাব।

(খ) গোৱালপাৰা পূব সমষ্টিত নতুনকৈ কিমান হিতাধিকাৰী লোৱা হৈছে, তালিকা সহ জনাব।

(গ) গোৱালপাৰা জিলাৰ অসামৰিক যোগান বিভাগত কেই ধৰণৰ Vigilance Committee আছে ? এই Vigilance Committee ৰ ২০১৯-২০২০, ২০২০-২০২১ আৰু ২০২১-২০২২ বিত্তীয় বৰ্ষত কেইখন Vigilance ৰ মিটিং হৈছিল ? তথ্য সহকাৰে জনাব।

(ঘ) অসমত বৰ্তমান PDS Wheat কিমান Allotment দিয়া হয় ? জিলা ভিত্তিত তথ্য সহকাৰে জনাব।

(ঙ) অসমত PDS Wheat সমূহ কোন কোন মিলত আটা বনোৱাৰ কাৰণে Allotment কৰা হয় ?

(চ) গোৱালপাৰা জিলাত PDS Wheat Allotment কৰা হয় নেকি ? যদি নহয়, কিয় আৰু যদি কৰা হ'ব, কেতিয়াৰ পৰা Allotment কৰা হ'ব ?

(ছ) ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ দ্ৰব্য সমূহ বহন (Carriage) কৰাৰ কাৰণে কোন কোন জিলাত কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক দিয়া হৈছে ? তালিকা সহ জনাব।

(জ) এই ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ দ্ৰব্য সমূহ Carriage দিয়াৰ নিয়ম কি ? তথ্য সহকাৰে সদনত জনাব।

**উত্তৰঃ**

মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী কৌশিক ৰায় মহোদয়ে উত্তৰ দিবঃ

(ক) নৱেম্বৰ, ২০২৫ মাহৰ বিনামূলীয়া চাউলৰ অনলাইন আৱণ্টন অনুসৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত অসমত সৰ্বমুঠ ৭০,৪৩,০৪৫ খন ৰেচন কাৰ্ড আছে আৰু ইয়াৰ বিপৰীতে ২,৪৫,১৬,১৪৫ জন হিতাধিকাৰী আছে।

গোৱালপাৰা জিলাৰ অধীনত মুঠ ৰেচন কাৰ্ডৰ সংখ্যা ২,১৯,৮৪০ খন আৰু মুঠ হিতাধিকাৰীৰ সংখ্যা ৭,৫০,০৪৪ জন। গোৱালপাৰা জিলাত AAY কাৰ্ডৰ সংখ্যা ১৮,০৩৪ খন আৰু হিতাধিকাৰীৰ সংখ্যা ৫৯,৯১৬ জন। আনহাতে PHH কাৰ্ডৰ সংখ্যা ২,০১,৮০৬ খন আৰু হিতাধিকাৰীৰ সংখ্যা ৬,৯০,১২৮ জন। ৩৭ নং-গোৱালপাৰা পূব বিধান সভা সমষ্টিত মুঠ হিতাধিকাৰীৰ সংখ্যা ২,০৫,৮৮৩ জন।

বৰ্তমানে সমগ্ৰ ৰাজ্যত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত নতুনকৈ ৫,০৪,০০০ হিতাধিকাৰীক বাচনি কৰি অন্তৰ্ভুক্তিকৰণৰ প্ৰক্ৰিয়া চলি আছে। সেই অনুসৰি ৩৭ নং-গোৱালপাৰা পূব বিধানসভা সমষ্টিতো ৪,০০০ জন হিতাধিকাৰীক বাচনি কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে আৰু নিৰ্বাচিত হিতাধিকাৰীসকলৰ তথ্যসমূহৰ digitization আৰু অনুমোদন প্ৰক্ৰিয়া চলি আছে।

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ আৰু অসম খাদ্য সুৰক্ষা বিধি, ২০২২ অনুসৰি যোগ্য হিতাধিকাৰী পৰিয়ালসমূহক ৰেচন কাৰ্ড প্ৰদান কৰাৰ ব্যৱস্থা আছে। বৰ্তমান অসমত ৰেচন কাৰ্ড পাবৰ বাবে এটা পৰিয়ালৰ বাৰ্ষিক আয় ৪ লাখ টকাৰ কম হ'ব লাগিব। হিতাধিকাৰী বাচনিৰ নিয়মসমূহ অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'ক')ত উপলব্ধ কৰা হ'ল।

(খ) ৩৭ নং-গোৱালপাৰা পূব বিধানসভা সমষ্টিত ৪,০০০ নতুন হিতাধিকাৰীৰ বাচনি প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে আৰু বৰ্তমান digitization আৰু অনুমোদন প্ৰক্ৰিয়া চলি আছে।

(গ) বৰ্তমান গোৱালপাৰা জিলাৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ অধীনত তলত উল্লেখ কৰা ৩ (তিনি) প্ৰকাৰৰ Vigilance & Monitoring Committee আছে।

১) জিলা পৰ্যায়ৰ Vigilance & Monitoring Committee

সিপিঠিত

২) ব্লক পৰ্যায়ৰ Vigilance & Monitoring Committee

৩) FPS পৰ্যায়ৰ Vigilance & Monitoring Committee

২০১৯ চনত গোৱালপাৰা জিলাত ৬ (ছয়) টা স্তৰত Vigilance & Monitoring Committee (VMC) গঠন কৰা হৈছিল। যেনে (১) জিলা পৰ্যায়ৰ Vigilance & Monitoring Committee (২) মহকুমা পৰ্যায়ৰ Vigilance & Monitoring Committee (৩) সমষ্টি ভিত্তিক Vigilance & Monitoring Committee (৪) ব্লক পৰ্যায়ৰ Vigilance & Monitoring Committee (৫) গাওঁ পঞ্চায়ত সমবায় সমিতি পৰ্যায়ৰ Vigilance & Monitoring Committee আৰু (৬) সুলভ মূল্যৰ দোকানী পৰ্যায়ৰ Vigilance & Monitoring Committee। অৱশ্যে ২০১৯-২০ বৰ্ষত হোৱা ক'ভিড মহামাৰীৰ বাবে উক্ত Vigilance & Monitoring Committee ৰ সভাসমূহ আহ্বান কৰিব পৰা নগ'ল। ঠিক সেইদৰে বিত্তীয় বৰ্ষ ২০২০-২০২১ আৰু ২০২১-২০২২ বৰ্ষটো ক'ভিড-১৯ মহামাৰীৰ বাবে Vigilance & Monitoring Committee ৰ বৈঠক আহ্বান কৰিব পৰা নগ'ল।

(ঘ) অসমত বৰ্তমান ৪,৫৭৮ মেট্ৰিক টন PDS Wheat ডিচেম্বৰ, ২০২৫ মাহৰ বাবে আৱণ্টন দিয়া হৈছে। ডিচেম্বৰ, ২০২৫ মাহৰ সমগ্ৰ ৰাজ্যখনৰ বাবে আৱণ্টন কৰা PDS Wheat ৰ জিলাভিত্তিক তথ্য অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'খ') ত উপলব্ধ কৰা হ'ল।

(ঙ) অসমত বৰ্তমান PDS Wheat ৰ পৰা আটা বনোৱাৰ কাৰণে আৱণ্টন পোৱা নিৰ্দিষ্ট Roller Flour Mill আৰু Modern Chakki Mill সমূহৰ তালিকা অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'গ') ত উপলব্ধ কৰা হ'ল।

(চ) গোৱালপাৰা জিলাৰ গোৱালপাৰা ৰোলাৰ ফ্লৰ মিলৰ স্বত্বাধিকাৰীয়ে ২০১৫ চনৰ ডিচেম্বৰ মাহত সেই সময়ৰ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ক উদ্দেশি Tide over wheat (APL) আৰু Additional APL wheat ৰ আৱন্টন নিদিবলৈ অনুৰোধ জনোৱা আৰু এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ সেই সময়ৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা সঞ্চালককৈ বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰাৰ পৰৱৰ্তী সময়ৰ পৰা গোৱালপাৰা জিলাত Tide over wheat ৰ আৱন্টন দিয়া হোৱা নাই।

পৰৱৰ্ত্তী সময়ত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ (NFSA, 2013) কাৰ্যকৰী হোৱাত আৰু হিতাধিকাৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত Tide over wheat ৰ আৱন্টন (Allocation) কমি আহে। বৰ্তমান এই Tide over wheat ৰ আৱন্টন (Allocation) প্ৰতি মাহত মাত্ৰ ৪,৫৭৮ M.T.। উক্ত Tide over wheat খিনি বিভিন্ন জিলাৰ কৰ্তৃপক্ষই বিছৰা প্ৰয়োজনীয়তা আৰু সৰ্বাধিক চাহ বাগানৰ শ্ৰমিক থকা দিশৰ প্ৰতি লক্ষ্য ৰাখি নুন্যতম চাহিদা পূৰণ কৰি থকা হৈছে

অৱশ্যে গোৱালপাৰা জিলাত এই Tide over wheat ৰ চাহিদা থাকিলে আৰু জিলা আয়ুক্তৰ পৰা প্ৰস্তাৱ পালে কিছু পৰিমানে wheat ৰ আৱন্টন দিব পৰা যাব।

(ছ) ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System) ৰ অধীনৰ "প্ৰধানমন্ত্ৰীৰ গৰীব কল্যাণ অন্ন যোজনাৰ" (PMGKAY) বিনামূলীয়া চাউল পৰিবহনৰ কাৰণে বিভিন্ন জিলাৰ নিৰ্বাচিত ব্যক্তি বা প্ৰতিস্থানৰ তথ্য সমূহ অসম বিধানসভাৰ ৱেবচাইট www.neva.gov.in (সংলগ্ন-'ঘ') ত উপলব্ধ কৰা হ'ল।

